# অট্টালিকাত বসবাস কৰা লোকৰ বাবে

## পাত্রত খেতি কৰা পদ্ধতি

❑ ড° বিপিন খঙীয়া

সাধাৰণতে দেখা যায় নগৰ-চহৰত বনোৱা ওখ ওখ অট্টালিকাৰ পৰিপ্রেক্ষিতত শাক-পাচলি নাইবা ফল-ফুলৰ বাবে খেতি কৰাত মাটিৰ অভাৱ পৰিলক্ষিত হৈছে। ইয়াৰ বিকল্প ব্যৱস্থা হ'ল



পাত্রত কৰা খেতি পদ্ধতি। পাত্রত কৰা খেতি পদ্ধতিয়ে একোটা অভ্যাস গঢ়ি তোলাৰ লগতে আনন্দ উপভোগৰো একোটা উৎসৰ সৃষ্টি কৰিব পাৰি।

(1) একেবাৰে তলৰ মহলাত বসবাসী লোকসকলে ঘৰৰ আগফালে এখন সৰু ল'ন (Lawn) প্রস্তুত কৰি তুলিব পাৰে। তাৰ কাৰণে প্রথমতে ল'ন প্রস্তুত কৰা ঠাইখিনিৰ মাটি খান্দি তাৰ পৰা সকলো ঘাঁহ বনবাত আঁতৰাই পেলাব লাগে। খন্দাৰ পিছত মাটিখিনি শুকান গোবৰৰ এটা প্রলেপ ওপৰৰ মাটিক লগত মিহলাই দি ল'ব লাগে। তাৰ পিছত পানী দি মাটিখিনি এসপ্তাহমানৰ কাৰণে স্থিতি ল'বলৈ দিব লাগে। ল'নখনৰ চাৰিওফালে ফুলৰ ভেটি (Flower bed) থাকিব লাগে। সাধাৰণতে স্থানীয় ঘাঁহ নাইবা আন কোনো ল'নৰ ঘাঁহ নিৰ্বাচন কৰি ৰুই দিব লাগে। ঘাঁহবিলাক যেতিয়াই 75 ছে.মি. (3") মান ওখ হয় তেতিয়াই ঘাঁহখিনি কাটি (Mowing) কৰি দিব লাগে। ল'নৰ দাঁতি কাষৰত গোলাপ, ক্েকটাছ নাইবা তেনে চাপৰজাতীয় ফুলৰ গছ ৰুব লাগে লগতে সুবিধা হ'লে নিৰ্দিষ্ট স্থানত একোখিনি শিল বাগিচা (Rock Garden) থাকিলে ভাল হয়। ল'নখনত কেইবিধমান ক্েকটাছ নাইবা পাম গছ (Palm) থাকিলে ল'নৰ সৌন্দৰ্য বঢ়ায়।

(2) যি বিলাক লোকে অট্টালিকাৰ মধ্যম অংশত বসবাস কৰে তেনে লোকেও পাত্রত খেতি কৰিব পাৰে। বিভিন্ন ধৰণৰ ফলমূল, ফুল, শাক-পাচলিৰ খেতি পাত্রত কৰিব পাৰে। যিহেতুকে পাত্রত থকা ঠাইখিনি সীমাবদ্ধ সেই কাৰণে পাত্রত যথেষ্ট পৰিমাণৰ জৈৱ সাৰৰ লগতে পানী দিয়াৰ ব্যৱস্থা কৰিব লাগে। অৱশ্যে পাত্রত পানী দিয়াৰ মাত্রা নিৰ্ভৰ কৰিব বতৰ, ঋতু আৰু মাটিৰ প্রকৃতিৰ ওপৰত। পানী দিয়াৰ ব্যৱস্থা কৰিব লাগে পুৱাভাগত নতুবা গধূলি সময়ত। কেতিয়াও দুপীয়া সময়ত পানী দিব নালাগে। পাত্রত ব্যৱহাৰ কৰা মাটিখিনি পাতলীয়া, সহজে পানী ওলাই যাব পৰা লগতে যথেষ্ট পৰিমাণৰ জৈৱ সাৰ থাকিব লাগে। সাধাৰণতে পাত্রত মিশ্রণৰ যেতিয়া সম পৰিমাণৰ পলসুৱা বাগান মাটি আৰু খহটা বালিৰ মিশ্রণৰ হয় তেতিয়া কেক্টাছ নাইবা ৰসাল (Succulent) জাতীয় উদ্ভিদৰ বাবে উপযোগী। যেতিয়া পাত্রত 2 ভাগ পলসুৱা মাটি, 1 ভাগ বালি আৰু পচা গোবৰ বা পচন সাৰৰ মিশ্রণ হয় তেনে পাত্রত ঃঢেঁকীয়া জাতীয় উদ্ভিদ আৰু ঋতুভিত্তিত হোৱা ফুলৰ খেতিৰ বাবে উপযোগী, আকৌ যেতিয়া পাত্রত 3 ভাগ পলসুৱা মাটি, 1 ভাগ ভালকৈ পচা জৈৱ সাৰ আৰু 1 ভাগ বালিৰ মিশ্রণ হয় তেতিয়া চাপৰজাতীয় ফুল গছ, সৌন্দৰ্য আকৰ্ষক পাতফুলৰ গছ ৰুব লাগে। বিভিন্ন ধৰণৰ বৰ্ষীয় নাইবা ঋতুকালীন ফুল গছ যেনে- এমেৰেনথাচ, এজিৰেটাম, ডেইজী, কাৰমেচন, পেনচী, লুপিন, নাৰ্জী ফুল, ফ্লক্স, পপী, পিটুনীয়া, জিনিয়া আদিৰ খেতি কৰিব পাৰি। অন্যহাতে বহুবৰ্ষীয় ফুল গছ যেনে- বিগেনীয়া, কলচিয়া, কেক্টাছ, ইন্দ্রমালতী, অৰ্কিড, ঢেঁকীয়াজাতীয়, সৌন্দৰ্য আকৰ্ষক পাতফুলৰ গছ, লতাজাতীয় ফুলৰ গছো ৰুব পাৰি। পাত্রত থকা মিশ্রণটো প্রতি বছৰে বদলাই থাকিব লাগে। ঘৰৰ ভিতৰত হোৱা ফুল গছত নাইট্র'জেন, ফচফৰাছ, পটাছ (10ঃ10ঃ10) সাৰৰ সম্পূৰ্ণ মিশ্রণৰ জুলীয়া সাৰ তৈয়াৰ কৰি 1 চাহচামুচ 1 লিটাৰ পানীত মিহলাই এমাহৰ অন্তৰে অন্তৰে গছবিলাক বাঢ়ি আহাৰ সময়ত প্রয়োগ কৰিলে গছবিলাকৰ শ্রীবৃদ্ধি সুগম হোৱাত সহায় কৰে। গছবিলাকৰ ফুল ফুলাৰ পাছত অনাৱশ্যকীয় ডাল-পাত কাটি আঁতৰাই পেলালে গছবিলাকে নিয়মীয়াকৈ ফুল ফুলাত সহায়ক হয়।

(3) যি বিলাক লোকে অট্টালিকাৰ একেবাৰে ওপৰ মহলাত বসবাস কৰে তেনে লোকৰ কাৰণে শাক-পাচলি, ফুল-ফলৰ খেতি পাত্রত নাইবা বাকচত কৰিব পাৰে। গছৰ আকৃতি অনুসৰি বাকচ বা পাত্রৰ আকৃতি সমানুপাতিক হ'ব লাগে। পাত্রবিলাকৰ তলিত যাতে পানী জমা হ'ব নোৱাৰে তাৰ কাৰণে পাছৰ তলিত এটা বা দুটা ফুটা ৰাখিব লাগে। বাঁহ বা কাঠেৰে চালি লগাই তাত মণি গছ (Money Plant) নাইবা তেনে জাতীয় বগোৱা শস্য ওপৰ মহলাত খেতি কৰিব পাৰি।



১২পৃষ্ঠাৰ পৰা

## কৰঙাৰ ঐতিহ্যমণ্ডিত......

কৰা হয়। এই অনুষ্ঠানটোৰ প্রতিষ্ঠাপক সভাপতি আছিল প্রয়াত পিতৃ ভুৱন ৰাজকুমাৰ আৰু প্রতিস্থাপক সম্পাদক আছিল আব্দুল লটিফ। বৰ্তমান সভাপতি ৰূপে শ্রীযুত সোমেশ্বৰ শইকীয়া আৰু সম্পাদক ৰূপে শ্রীনীল ফুকনে দায়িত্ব পালন কৰি আছে। সংঘৰ দ্বিতীয়টো কাৰ্যকালত সোমেশ্বৰ মুক্তিয়াৰ সভাপতি আৰু প্রদীপ ফুকন সম্পাদক আছিল। পাছৰ পৰ্যায়ত এই লেখক সভাপতি আৰু সম্পাদক হিচাবে ভাতৃপ্রতীম শ্রীঅনিল শইকীয়াই দায়িত্ব বহন কৰিছিল। এটা কাৰ্য্যকালত সভাপতিৰূপে শ্রীযুত দুৰ্গাধৰ হাতীবৰুৱা আৰু সম্পাদক মুকুল ৰাজকুমাৰে দায়িত্ব বহন কৰিছিল। আন এটা কাৰ্য্যকালত শ্রীযুত নিতুল চেতিয়া সম্পাদক থকাৰ কথা মনত পৰে। সেইবাৰ সভাপতি আছিল আব্দুল লটিফ। আনহাতে থাওকতে মনত পৰা মহিলা কৰ্মী ৰুবী ফুকন, দিপ্তী বৰা, কমলা চেতিয়া, বিনু পাচনি আদি মহিলাসকলৰ ভূমিকা মন কৰিবলগীয়া। বিষয়বাবত নথকাকৈও এজন বিষয়াতকৈ দেহে-কেহে লগা যুৱকৰ্মী পৰাগ হাতীবৰুৱাৰ ভূমিকাও শলাগিবলগীয়া। আৰু বহুসকলৰ নাম আছিল কিন্তু পৰিসৰ বৃদ্ধিৰ ভয়ত উল্লেখ কৰাৰ পৰা বিৰত থাকিলো, তাৰবাবে দুঃখিত। কোনেও আক্ষেপ নকৰে যেন। এই সংঘৰ উদ্যোগত কেইবাখনো পূৰ্ণাংগ নাটক, বিহু সন্মিলন, বিভিন্ন দিহানাম, বৰগীত আদিৰ প্রতিযোগিতা আৰু কেইবাখনো অধিৱেশন অনুষ্ঠিত কৰি অহা হৈছে। পূৰ্বতে উল্লেখ কৰা জননেতাজনৰ জন্ম শতবাৰ্ষিকী ১৯৯৫ চনত মহা ধুমধামেৰে কৰা হৈছিল। য'ত তেতিয়াৰ অসমৰ মাননীয় মুখ্যমন্ত্রী হিতেশ্বৰ শইকীয়াদেৱেও অংশগ্রহণ কৰিছিল।

১৯৬২ চনত সাংস্কৃতিক দিশৰ অগ্রগনী পুৰুষ কলাগুৰু বিষ্ণুপ্রসাদ ৰাভাদেৱ আহি সাংস্কৃতিক দিশৰ ওপৰত আমাৰ পূৰ্বৰ গৃহতে বহুতো আলোচনা-বিলোচনা কৰি প্রখ্যাত ওজা নৰাম বৰাৰ ঘৰত নিশা কটাই গৈছিলহি। আমাৰ গাঁৱৰে উদ্যমী শ্রীপ্রদীপ ৰাজকুমাৰদেৱে এই অঞ্চলৰ পৰা সৰ্ব্বপ্রথম অসমৰ এখন ভ্রাম্যমান থিয়েটাৰ "প্রতিধ্বনি থিয়েটাৰ" যুটীয়াভাৱে প্রযোজনা কৰি বিশেষ খ্যাতি অৰ্জন কৰিছিল। কেইবছৰমানৰ পাছত তেখেতে নিজাকৈ "পূৰ্ব্বধ্বনি থিয়েটাৰ" নামৰ অন্য এখন থিয়েটাৰ প্রযোজনা কৰি কেইবাবছৰ ধৰি চলাই আছিল। সেই সময়ত অসমৰ বিভিন্ন ঠাইৰ কলা-কুশলী, অভিনেতা-অভিনেত্রীৰ আগমনত কৰঙাৰ সাংস্কৃতিক পৰিৱেশে গুৰুত্বপূৰ্ণ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল।

গাঁওখনৰ বিভিন্ন কোণত চাৰিভাগ নামঘৰ আছে। মাজৰ চুকৰ নামঘৰৰ নামাচাৰ্য শ্রীযুত মোহন নেওগ। তেখেতেই নামঘৰভাগ পৰিচালনা কৰি আছে। বাকী এভাগ নামঘৰ আছে ফুকনৰ চুকত আৰু দুভাগ আছে চমুৱা চুকত। তাত ৰাইজে বিভিন্ন ধৰ্মীয় অনুষ্ঠান যেনে ভাওঁনা-সবাহ, সন্ধ্যা নাম প্রসঙ্গ, ভাগৱত পাঠ আদি সময়ে সময়ে অনুষ্ঠিত কৰি আহিছে। শ্রীটংক গগৈ ওজা অসমৰ ঢোলৰ যাদুকৰ মঘাই ওজাৰ সমপৰ্যায়ৰ অন্যতম ঢুলীয়া ওজা নৰাম বৰাৰ পালি আছিল। যিগৰাকী নৰাম বৰাৰ ঘৰত কৃষ্টিৰ পম খেদি কলাগুৰু বিষ্ণু প্রসাদ ৰাভা থাকি গৈছিলহি।

দক্ষ ফুটবল খেলুৱৈ হিচাবে গাঁৱৰ শৈলেন গগৈ, জগত ফুকন, যোগেন ফুকন, গনেশ ফুকন, দিলীপ ফুকন, বসন্ত ফুকন আদিয়ে বিশেষ খ্যাতি ৰাখি গৈছে। ৰাতুল ফুকন ভাল ক্রিকেট খেলুৱৈ আছিল। এবাৰ যোৰহাট জিলা দলৰ হৈ ৰাজ্যিক পৰ্যায়ত খেলিছিল। এথেলেটিকছত ৰঞ্জিত ৰাজকুমাৰে সৰ্ব্বভাৰতীয় পৰ্যায়ত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। মুকুল ৰাজকুমাৰ ভাল বক্সাৰ আছিল। দুল ফুকনে শৰীৰ চৰ্চা আৰু পাঞ্জা খেলত অসমৰ ভিতৰতে বিশেষ সুনাম কঢ়িয়াবলৈ সক্ষম হৈছিল। তদুপৰি কোযেশ্বৰ খনিকৰ আছিল সদৌ কৰঙাৰ ভিতৰতে এগৰাকী দক্ষ ক্রীড়া সংগঠক তথা বিশিষ্ট সাংস্কৃতিক কৰ্মী। সৰ্ব্বোপৰি সৰ্ব্বভাৰতীয় মাৰ্ক্সবাদী নেতা দধি মহন্ত, দুৰ্লভ মহন্ত, সোমনাথ নেওগ, চিত্রসেন ৰাজকুমাৰ, হৰিন মহন্ত, ৰাজু মহন্ত আদিৰ উদ্যোগত এসময়ত এইখন গাঁও বামপন্থী চিন্তা-চৰ্চ্চাৰ কেন্দ্রস্থানো আছিল। সংবাদ জগততো নৱজ্যোতি তামুলীয়ে সেৱা আগবঢ়াই আছে।

ইতিহাস চেতনা এটা জাতিৰ মূল বস্তু। প্রতিটো জাতি অথবা প্রতিখন ঠাইৰে একোটি নিজৰ ইতিহাস আছে। ইয়াৰ বুকুতেই লুকাই থাকে জাতিৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত। সেয়ে এটা জাতিৰ ইতিহাসৰ দৰে ঠাইসমূহৰ ইতিহাসো লিখিত ৰূপত ধৰি ৰখাতো ভৱিষ্যত সকলৰ বাবে অতিকে দৰকাৰী কথা। অথচ তেনে ইতিহাস লিখা কামতো বৰ সহজ সাধ্য নহয়। তাতে আমাৰদৰে অল্পমতিজনৰ বাবে। কিন্তু চিনামৰা মহাবিদ্যালয়ৰ প্রতিষ্ঠাপক অধ্যক্ষ শ্রদ্ধাৰ শ্রীযুত আনন্দ শইকীয়া ছাৰৰ সময়োপযোগী আহ্বান উপেক্ষা কৰিব নোৱাৰি উপৰিউক্ত সংক্ষিপ্ত বিৱৰণ এটিহে গাঁওখনৰ ওপৰত আমাৰ সীমিত জ্ঞানৰ পৰিসৰত তুলি ধৰাৰ চেষ্টা কৰা হৈছে, অনাগত ভৱিষ্যতৰ কথা ভাবি। গতিকে স্বাভাৱিকতে হ'ব পৰা ভুল-ত্রুটীৰ বাবে সহৃদয় পাঠক সমাজৰওচৰত মাৰ্জনা বিচাৰিলো।

দুৰভাষ- 9435894309